**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
**Date :** 24-07-2024 **Time :** 1715 Hrs.
***Assamese Evening Bulletin***

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কেন্দ্ৰীয় বাজেটত একাংশ ৰাজ্যৰ ক্ষেত্ৰত বৈষম্য হোৱা বুলি উত্থাপিত অভিযোগ অস্বীকাৰ কৰিছে। ৰাজ্যসভাৰ শূন্যকালত আজি বিৰোধী দলসমূহে উত্থাপন কৰা অভিযোগৰ প্ৰত্যুত্তৰত তেওঁ ওলোটাই এই বুলি অভিযোগ কৰে যে বিৰোধী শাসিত ৰাজ্যসমূহলৈ একোৱেই দিয়া হোৱা নাই বুলি কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী পক্ষই অবিৰতভাৱে জনসাধাৰণক পতিয়ন নিওৱাৰ চেষ্টা কৰি আহিছে। তেওঁ এই কথা স্পষ্ট কৰি দিয়ে যে, প্ৰতিখন বাজেটত দেশৰ প্ৰত্যেকখন ৰাজ্যৰ নাম উল্লেখ কৰাৰ সুবিধা নাথাকে। কোনো এখন নিৰ্দিষ্ট ৰাজ্যৰ নাম বাজেটত উল্লেখ নকৰাটোৱে সেই ৰাজ্যখনক কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহে সামৰি নোলোৱাটোক নুবুজাই বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে কয় যে কেন্দ্ৰীয় মন্ত্ৰীসভাই মহাৰাষ্ট্ৰ আৰু পশ্চিমবংগৰ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ প্ৰতি অনুমোদন জনাইছে।

আজি পুৱা সদন মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই বিষয়টো উত্থাপন কৰি কেন্দ্ৰীয় বাজেটখনক চৰকাৰক ৰক্ষা কৰাৰ উপায় হিচাপে ব্যৱহাৰ কৰা বুলি অভিযোগ কৰে। বিৰোধী পক্ষই ইয়াৰ বিৰোধিতা কৰিব বুলি উল্লেখ কৰি তেওঁ, বাজেটখনত সমতা নাথাকিলে উন্নয়ন কেনেদৰে সম্ভৱ হ'ব বুলি প্ৰশ্ন উত্থাপন কৰে। বিষয়টোক লৈ বিত্তমন্ত্ৰীগৰাকীৰ প্ৰত্যুত্তৰৰ পাছত বিৰোধীদলসমূহে উচ্চ সদন ত্যাগ কৰে।

ইয়াৰ পূৰ্বে বিৰোধী সাংসদসকলৰ সদন স্থগিত ৰখাৰ জাননী নাকচ কৰি অধ্যক্ষ জগদীপ ধনখড়ে কয় যে এনে জাননী ব্যতিক্ৰমী পৰিস্থিতিত হে গ্ৰহণ কৰা হয়। বিগত ৩৬ বছৰৰ ভিতৰত ছবাৰহে এনে স্থগিতকৰণৰ জাননী গ্ৰহণ কৰা হৈছে বুলিও তেওঁ লগতে উল্লেখ কৰে।

আনহাতে, লোকসভাতো একেটা বিষয়ক লৈ বিৰোধীপক্ষই আজি সদন ত্যাগ কৰে। আজি পুৱা সদনৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তে কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ডি এম কে, টি এম চি আৰু আন আন বিৰোধী দলসমূহৰ সদস্যসকলে থিয় হৈ অন্ধ্ৰপ্ৰদেশ আৰু বিহাৰৰ বাহিৰে আন ৰাজ্যসমূহৰ ক্ষেত্ৰত বৈষম্য হোৱা বুলি অভিযোগ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। অধ্যক্ষ ওম বিৰলাই সদনত বিৰোধী পক্ষৰ এনে আচৰণৰ বিৰুদ্ধে মত পোষণ কৰি, সদনৰ প্ৰশ্নকালৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰাৰ বাবে পৰিকল্পিতভাৱে কৰা এনে চেষ্টাক অযুক্তিকৰ বুলি আখ্যা দিয়ে। একেদৰে সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱেও বিৰোধী পক্ষৰ সাংসদসকলৰ আচৰণক লৈ প্ৰশ্ন উত্থাপন কৰে।

0000000

ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই আজি বাক্সা জিলাৰ সদৰ মুছলপুৰত জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ কেইবাটাও বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হয়। ৰাজ্যপালগৰাকীয়ে বিষয়াসকলৰ পৰা বিভাগীয় কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰে। বৈঠকৰ পাছত সাংবাদিকৰ আগত ৰাজ্যপালগৰাকীয়ে ৰাজ্যৰ স্বাস্থ্য আৰু শিক্ষা খণ্ড পূৰ্বতকৈ উন্নয়ন হোৱা বুলি মন্তব্য কৰে। আনহাতে, জলজীৱন মিছনৰ অধীনত চলি থকা বিশুদ্ধ খোৱাপানী যোগান প্ৰকল্পসমূহৰ সফল ৰূপায়ণ হোৱা বুলিও শ্ৰী কাটাৰিয়াই উল্লেখ কৰে। এই বৈঠকত ৰাজ্যপালগৰাকীৰ সৈতে মন্ত্ৰী ঊৰ্খাও গৌড়া ব্ৰহ্ম, বিটিআৰৰ অধ্যক্ষ কাটিৰাম বড়োৰ উপৰি কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

0000000

পৰহিৰেপৰা সন্ধানহীন হৈ থকা যশস্বী সংগীত পৰিচালক ৰমেন বৰুৱাৰ সন্ধানত আৰক্ষীয়ে ভিন্ন প্ৰান্তত অভিযান অব্যাহত ৰাখিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পিছফালৰ ব্ৰহ্মপুত্ৰত এছ ডি আৰ এফ আৰু এন ডি আৰ এফ বাহিনীয়ে শ্ৰীবৰুৱাৰ সন্ধানত অভিযান চলায়। অৱশ্যে এইপৰ্যন্ত সংগীত পৰিচালকগৰাকীৰ শুংসূত্ৰ ওলোৱা নাই। সংগীত পৰিচালকগৰাকীৰ সন্ধানত ব্যৱহাৰ কৰা স্নিফাৰ ডগে তেওঁৰ গতিবিধি নদীৰ পাৰলৈকে ধৰা পেলাইছে। অৱশ্যে তাৰ পৰা উভতি অহাৰ কোনো তথ্য পোৱা হোৱা নাই বুলি আৰক্ষী আয়ুক্ত দিগন্ত বৰাই প্ৰকাশ কৰিছে। তেওঁ কয় যে শ্ৰী বৰুৱা সন্ধানহীন হৈ থকা ঘটনাৰ আঁৰত কোনো বাহ্যিক কাৰক জড়িত নাই আৰু ব্যক্তিগত নাইবা পাৰিবাৰিক কাৰণতহে তেওঁ ওলাই যোৱাৰ তথ্য পোৱা গৈছে।

0000000

ৰাজ্যৰ কেইবাখনো জিলাৰ লগতে গোৱালপাৰা জিলাত জাপানীজ এনচেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ দেখা গৈছে। জিলাখনত এই পৰ্যন্ত ৯ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইয়াৰে ৰংজুলিৰ মেল'পাৰাত নকুল কছাৰী নামৰ লোকজনৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। আনহাতে, ৩ জন গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ আই চি ইউত আৰু এজন গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। বাকী কেইজন ক্ৰমাৎ সুস্থ হৈ উঠিছে বুলি জিলা স্বাস্থ্য বিভাগে জানিবলৈ দিছে। আনহাতে, জিলাখনত যাতে এই ৰোগ অধিক বিয়পিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনৰ লগতে স্বাস্থ্য বিভাগে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে প্ৰকাশ কৰিছে।

0000000

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

0000000

**সমাপ্ত**